এই মছজিদবোৰ প্ৰস্ৰাৱ বা কোনো অপবিত্ৰ কামৰ বাবে উপযুক্ত নহয়। এইবোৰ হৈছে কেৱল আল্লাহৰ জিকৰ-আজকাৰ, নামাজ আৰু কোৰআন তিলাৱত কৰাৰ বাবেহে নিৰ্দিষ্ট।

আনাছ ইবনু মালিক ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ এদিনাখন আমি ৰাছুলুল্লাহ্ চাল্লাল্লাহু আলাইহি অছাল্লামৰ সৈতে মছজিদত বহি আছিলোঁ, এনেতে এজন বেদুঈন মানুহ আহি মছজিদতে প্ৰস্ৰাৱ কৰিবলৈ ধৰিলে। চাহাবীসকলে তাক বাধা প্ৰদান কৰি ক'লে, "বন্ধ কৰা, বন্ধ কৰা!"। তেতিয়া ৰাছুলুল্লাহ্ চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লে, "তাক বাধা নিদিবা, এৰি দিয়া।" চাহাবীসকলে তাক এৰি দিলে আৰু সি প্ৰস্ৰাৱ কৰিলে। ইয়াৰ পিছত ৰাছুলুল্লাহ্ চাল্লাল্লাহু আলাইহি অছাল্লামে তাক মাতি নি ক'লে, "এই মছজিদবোৰ প্ৰস্ৰাৱ বা কোনো অপবিত্ৰ কামৰ বাবে উপযুক্ত নহয়। এইবোৰ হৈছে কেৱল আল্লাহৰ জিকৰ-আজকাৰ, নামাজ আৰু কোৰআন তিলাৱত কৰাৰ বাবেহে নিৰ্দিষ্ট।" অথবা ৰাছুলুল্লাহ্ চাল্লাল্লাহু আলাইহি অছাল্লামে যেনেকৈ কৈছিল (আনাছ ৰাদ্বিয়াল্লাহু আনহুৱে) তেনেকৈয়ে উল্লেখ কৰিছিল। ইয়াৰ পিছত তেখেতে এজন লোকক পানীৰ এটা বাল্টি
আনিবলৈ ক'লে আৰু সেই ঠাইত পানী ঢালি দিলে। [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে চাহাবাসকলৰ সৈতে মছজিদত বহি আছিল। সেই সময়তে এজন বেদুঈন আহি মছজিদত প্ৰৱেশ কৰিলে আৰু মছজিদৰ এটা চোকত গৈ প্ৰস্ৰাৱ কৰিবলৈ ধৰিলে। এই দেখি চাহাবাসকলে তাক ধমক দি ক'লেঃ হেৰা, বন্ধ কৰা, ইয়াত প্ৰস্ৰাৱ নকৰিবা। তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ তাক এৰি দিয়া, বাধা নিদিবা। অৱশেষত সি প্ৰস্ৰাৱ সম্পন্ন কৰিলে। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তাক মাতি নি ক'লেঃ মছজিদসমূহ প্ৰস্ৰাৱকে আদি কৰি কোনো ধৰণৰ বেয়া বস্তুৰ বাবে উপযুক্ত নহয়। ইয়াত কেৱল আল্লাহৰ জিকৰ-আজকাৰ কৰা হয়, নামাজ পঢ়া হয় আৰু কোৰআন তিলাৱত কৰা হয়। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এজন চাহাবীক এক বাল্টি পানী আনিবলৈ নিৰ্দেশ দিলে। পানী এক বাল্টি অনাৰ পিছত সেই প্ৰস্ৰাৱৰ ওপৰত পানী ঢালি দিলে।

http://sunnah.global/hadeeth/as/show/8948